# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি প্ৰায় ১৯ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। তেওঁ কোকৰাঝাৰ জিলাৰ বাঁশবাৰীত ২৫৬ কোটি টকা ব্যয়সাপেক্ষ মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, এহেজাৰ ১০১ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা কেইবাখনো উৰণ সেঁতু আৰু সোণকোষ আৰু বেঁকী নদীৰ ওপৰত দুখন দলঙৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ লগতে শ্ৰী মোদীয়ে উন্নত যাতায়াত ব্যৱস্থাৰ জৰিয়তে বি টি চি এলেকাৰ উন্নয়নৰ লক্ষ্যৰে **কামাখ্যা-সৰ্বপল্লী অমৃত ভাৰত এক্সপেছ, গুৱাহাটী-নিউ জলপাইগুৰি এক্সপেছ আৰু নাৰেংগী-আগৰতলা এক্সপেছ ৰে'ল**সেৱাৰো শুভাৰম্ভ কৰে।

বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন্য এটা কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰীয়ে আন্তঃগাঁথনি আৰু শক্তিখণ্ডৰ উন্নয়নেৰে সবল অসম নিৰ্মাণৰ লক্ষ্যৰে ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ বেতকুছিত নিৰ্মাণ কৰা ৰাজ্যৰ প্ৰতিখন জিলা আৰু দেশৰ প্যতিখন ৰাজ্যৰ দোকান-পোহাৰেৰে সু-সজ্জিত, এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ আদৰ্শক প্ৰতিনিধিত্ব কৰা একতা মলৰো উদ্বোধন কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিও মুকলি কৰে।

তেওঁ কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

০০০০০

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এখন স্বতন্ত্ৰ, আদালতৰ জৰিয়তে নিৰীক্ষণ কৰাৰ বাবে জনোৱা ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি শুনানি গ্ৰহণ কৰে। এই শুনানিত কেউজন অভিযুক্তক ভাৰ্চুৱেল মাধ্যমেৰে আদালতত হাজিৰ কৰোৱা হয়। অহা ২ এপ্ৰিলত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। অভিযুক্ত শেখৰ জ্যোতি গোস্বামীয়ে গোচৰৰ যাৱতীয় নথিপত্ৰ লাভ নকৰা বুলি আদালতত দাখিল কৰা আবেদনৰ চৰকাৰী অধিবক্তাই বিৰোধিতা কৰাৰ পৰিপ্ৰেক্ষিতত অভিযুক্তজনৰ অধিবক্তাই আজি আবেদনখন প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হয়।

ইপিনে, জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত ছিংগাপুৰৰ ক'ৰনাৰ্ছ আদালতে আজি চূড়ান্ত ৰায়দান কৰাৰ কথা আছিল যদিও ৰায়দান স্থগিত ৰখা হয়। চূড়ান্ত ৰায়দানৰ দিন অতি শীঘ্ৰে ঘোষণা কৰা হ'ব বুলি আদালতে জনায়।

০০০০০

ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা দেওবাৰে বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত হ'বলগীয়া **লুইতৰ পৰা মিছিছিপিলৈ** শীৰ্ষক এই সংগীতানুষ্ঠান গধূলি ৬ বজাত আৰম্ভ হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যৰ ভালেসংখ্যক প্ৰবীন আৰু নবীন সংগীত শিল্পীয়ে গীত পৰিবেশন কৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব।

০০০০০

মৰিগাওঁ জিলাত পি এম ৰাহত আঁচনিৰ অধীনত আজি পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত এগৰাকী লোকৰ বিনামুলীয়াকৈ চিকিৎসা কৰোৱা হয়। জিলাখনৰ বাচনাঘাটৰ বেংক অৱ বৰোডাৰ সন্মুখত সংঘটিত এটা পথ দুৰ্ঘটনাত এখন বাহনে মৃদুল কুমাৰ কাকতি নামৰ লোকজনক খুন্দিয়াই আহত কৰে। স্থানীয় ৰাইজে তেওঁক ততালিকে চিকিৎসালয়লৈ নিয়ে আৰু তাত পি এম ৰাহত আঁচনিৰ পলিট্ৰমা পেকেজৰ অধীনত চিকিৎসা লাভ কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ মূল উদ্দেশ্য হৈছে পথ দুৰ্ঘটনাত আহত ব্যক্তিৰ তাৎক্ষণিকভাৱে চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে চিকিৎসাৰ খৰছৰ আৰ্থিক বোজা হ্ৰাস কৰা। জিলা পথ সুৰক্ষা সমিতিৰ এটা দলে চিকিৎসালয়ত আহত ব্যক্তিজনৰ স্বাস্থ্যৰ বুজ লয়।

০০০০০

অসমৰ ময়ংক চক্ৰৱৰ্তীয়ে বিশ্ব ডবা প্ৰতিযোগিতাত গ্ৰেণ্ড মাষ্টাৰৰ খিতাপ অৰ্জন কৰিছে। উল্লেখযোগ্য যে গ্ৰেণ্ড মাষ্টাৰৰ স্বীকৃতিৰ বাবে প্ৰয়োজনীয় তিনিওটা নৰ্ম ময়ংক চক্ৰৱৰ্তীয়ে অৰ্জন কৰিছে। তেৱেঁই হৈছে ডবা খেলৰ ক্ষেত্ৰখনত গ্ৰেণ্ড মাষ্টাৰৰ খিতাপ লাভ কৰা প্ৰথমগৰাকী অসমীয়া। ছুইডেনত আজি খেলুৱৈগৰাকীক এই গ্ৰেণ্ড মাষ্টাৰৰ সন্মান প্ৰদান কৰা হয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ